অধ্যায় ১২ অসমীয়া চুটগিল্পৰ ধাৰা

অধ্যায় গাঁথনি

১২.১উদ্দশ্যে
১২.২পৰচিয়
১২.৩ চুটগিল্প
১২.৪অসমীয়া চুটগিল্পৰ উদ্ভৱ আৰু বকিাশৰ ধাৰা
১২.৪.১ প্ৰাৰম্ভকি যুগ
১২.৪.২ আৱাহন যুগ
১২.৪.৩ যুদ্ধোত্তৰ যুগ বা ৰামধনেু যুগ
১২.৪.৪ সাম্প্ৰতকি যুগ
১২.৫ অধ্যায়টৰি পৰা আমি কি শকিলিোঁ
১২.৬ অধকি জানবিলৈ
১২.৭অগ্ৰগতৰি খতয়িান
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

- চুটগিল্প মানে কি, ইয়াৰ সংজ্ঞা, ইয়াৰ উপাদানসমূহ আৰু প্ৰধান বশৈষ্ট্যিসমূহৰ বষিয়ে ধাৰণা লাভ কৰবি ।
- অসমীয়া চুটগিল্পৰ কনেদেৰে উদ্ভৱ হ'ল সইে বষিয়ে জ্ঞাত হ'ব আৰু অসমীয়া চুটগিল্পৰ যুগ বভিাজন কৰবি পাৰবি ।
- আৱাহন যুগৰ অসমীয়া গল্পকাৰসকলৰ বষিয়ে পৰচিয় লাভ কৰাৰ লগতে এই সময়ৰ গল্পৰ প্ৰধান বশৈষ্ট্যিসমূহৰ বষিয়ে জানবি ।
- যুদ্ধোত্তৰ যুগ বা ৰামধনেু যুগ আৰু সাম্প্ৰতকি যুগৰ অসমীয়া গল্পকাৰসকলৰ বষিয়ে ধাৰণা লাভ কৰাৰ লগতে অসমীয় চুটগিল্পৰ ক্ৰমবকিাশ সম্পৰ্কে জ্ঞাত হ'ব।

১২.২ পৰিচয়

এইটো 'অসমীয়া গদ্য সাহত্যি' শীৰ্ষক পাঠ্যবষিয়টৰি দ্বতিীয় খণ্ডটোৰ প্ৰথম অধ্যায়। ইয়াৰ আগৰ খণ্ডটোত সন্নৰ্িষ্টি সাতটা অধ্যায়ত আপুনি অসমীয়া গদ্যৰ নদিৰ্শন হচিাপে কইেটমিান নৰ্িবাচতি [পুৰণা আৰু আধুনকি] গদ্যপাঠ অধ্যয়ন কৰলিে। এই খণ্ডটোত আপুনি গদ্য শল্পিৰ আন দুটি উল্লখেযোগ্য বভিাগৰ বষিয়ে অধ্যয়ন কৰবি। সয়ো হ'ল – চুটগিল্প আৰু উপন্যাস। নৰ্িবাচতি অসমীয়া চুটগিল্পকইেটামান অধ্যয়ন কৰাৰ পূৰ্বে চুটগিল্প নামৰ এই শল্পিকলাবধিনোি কি, ই কনেকেনৈোি সৃষ্টি হ'ল আৰু অসমীয়া চুটগিল্পৰ ইতহিাস সম্পৰ্কওে কছিু কথা জনাৰ প্ৰয়োজনীয়তা আছে। সয়ে এই অধ্যায়টোত চুটগিল্প মানে কি, কনেকে ইয়াৰ উদ্ভৱ হ'ল সইে বষিয়ে চমুকে আলোচনা কৰি অসমীয়া চুটগিল্পৰ ধাৰা সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব।

মন কৰবি যে মানুহৰ গল্প শুনা আৰু কোৱাৰ প্ৰবৃত্তটিো আদমিকালৰে পৰা চলি আহছিে। বভিন্নি ধৰণৰ সাধুকথা, পুৰা কথা, কংিবদন্তীৰ মাজত ইয়াৰ আদমি ৰূপটি সোমাই আছে। ভাৰতবৰ্ষ তথা অসমো এই ক্ষত্রেত সমৃদ্ধ। বভিন্নি ধৰণৰ পৰৰিবৃতনৰ মাজৰেে এই গল্প কোৱা বা শুনাৰ ধাৰাটি বকিশতি হৈ ঊনবংিশ শতকিাত এক বশিষে শল্পিকলা ৰূপে স্বীকৃত হয়। উল্লখেযোগ্য যে আদমি স্তৰৰ গল্পৰ লগত আধুনকি যুগৰ গল্পৰ বশিষে মলি নাই। বৰ্তমান কালত আপোন বশৈষ্ট্যিৰে সমৃদ্ধ হৈ চুটগিল্পই এক স্বতন্ত্ৰ কলা ৰূপে আত্মপ্ৰকাশ কৰছি। বভিন্নি সামাজকি আৰু ৰাজনতৈকি কাৰকে ইয়াৰ সৃষ্টতি অনুঘটক হচিাপে কাম কৰছিলি। ঊনবংিশ শতকিাৰ শষেৰ ফালে জোনাকী কাকতৰ জৰয়িতে এই বধি শল্পিকলাই অসমীয়া সাহত্যিত প্ৰৱশে কৰ। ততেয়িাৰে পৰা প্ৰায় ছয় কুৰবিো অধকি বছৰ জুৰি বভিন্নি প্ৰকাশভংগীৰে চুটগিল্পই অসমীয়া সাহত্যিৰ ভঁৰাল সমৃদ্ধ কৰি আহছি। এই অধ্যায়টোত আপুনি চুটগিল্পৰ বষিয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে অসমীয়া চুটগিল্পৰ উদ্ভৱ আৰু ক্ৰমবকিাশ সম্পৰ্কে সঠকি জ্ঞান লাভ কৰবি।

১২.৩ চুটিগল্প

আধুনকি সাহত্যিৰ এক উল্লখেযোগ্য আৰু অপৰহিাৰ্য সাহত্যি ধাৰা হ'ল চুটগিল্প। কৰতিা, নাটক, উপন্যাস আদৰি দৰে চুটগিল্পৰোে কছিুমান নজিস্ব ধৰ্ম আৰু বশৈষ্ট্যিয আছ। ঊনবংিশ শতকিাৰ প্ৰথমাৰ্ধৰ পৰাই এক বশিষ্টি শল্পিকৰ্মৰূপে স্বীকৃতি লাভ কৰি চুটগিল্পই এই শতকিাৰ মধ্য আৰু শষেৰ ফালে পূৰ্ণ প্ৰতষ্ঠিা লাভ কৰবিলৈ সক্ষম হয়। চতুৰ্দশ শতকিাৰ ইটালীৰ নৱজাগৰণ, ষোড়শ-সপ্তদশ শতকিাত ইউৰোপত গঢ় লৈ উঠা নতুন অৰ্থনতৈকি ভত্তিি, অষ্টাদশ শতকিাৰ শল্পি বপ্লিৱ আৰু ফৰাচী বপ্লিৱ, ঊনবংিশ শতকিাৰ বজ্ঞিান, নৃতত্ত্ব তথা মনোবজ্ঞিানৰ ন ন আৱষ্কিাৰ আদয়িে চুটগিল্পৰ সৃষ্টতি বশিষেভাৱে অৰহিণা যোগাইছলি। ঊনবংিশ শতকিাত ব্যক্তৰি সামাজকি আৰু মানসকি জীৱনত দখো দয়িা বভিন্নি দ্বন্দ্ব, বৌদ্ধকি বষিণ্ণতাৰ পৰা পৰত্রিাণ পাবলৈ সাহত্যিৰ এই ধাৰাটৰি সৃষ্টি হয়। সইেবাবইে সমালোচকসকলে মন্তব্য কৰে যে ''আধুনকি চুটগিল্প ঊনবংিশ শতকিাৰ বৌদ্ধকি বষিণ্ণতা আৰু যন্ত্ৰণাৰ ফলশ্ৰুতি।'' ঊনবংিশ শতকিাৰ প্ৰথমাৰ্ধত ফ্ৰান্স আৰু ৰাচয়িাত এইবধি কলাই নব্য ৰূপত আত্মপ্ৰকাশ কৰ। এই শতকিাৰে মধ্যভাগত আমৰেকিা, ইংলণ্ডে আৰু জাৰ্মানীৰ সাহত্যিতোে ই ভূমকি মাৰ। ক্ৰমান্বয়ে এই নতুন শলৌটি পৃথৱিীৰ চাৰওিফালে বয়িপি পৰ। বৰ্তমান প্ৰায়বোৰ দশেৰ সাহত্যিকৰ্মতে ই নজিৰ স্থান নকিপকপীয়া কৰি এক উল্লখেযোগ্য শল্পি কলা ৰূপে চহি্নতি হছে।

এই সাহত্যিকৰ্মবধিক পোন প্ৰথমে চুটগিল্প বুলি নামকৰণ কৰা হোৱা নাছলি। Tales, Articles, Sketches আদি শব্দৰে ইয়াক বুজোৱা হছেলি। ঊনবংিশ শতকিাৰ শষেলহৈে ই 'চুটগিল্প' হচিাপে চহি্নতি হয়। ইটালীৰ গয়িোভান্নি বোক্কাচয়িো [১৩১৩-১৩৭৫ খ্ৰীঃ]ৰ ডকোমৰেোণ, ইংলণ্ডৰ জয়িোফ্ৰি ছ'ছাৰ [১৩৪৩-১৪০০ খ্ৰীঃ]ৰ কণ্টোৰবাৰী টইেল্ছ আৰু ফ্ৰান্সৰ ফ্ৰাছোৱা ৰাবলে[১৪৯৪-১৫৫৩ খ্ৰীঃ]ৰ Gargantuait Pantagrual [চাৰটিা খণ্ড]ৰ মাজতে আধুনকি চুটগিল্পৰ শক্তশিালী আধাৰ নৰ্মিাণ হয়। মন কৰবিলগীয়া যে বভিন্নি দশেৰ বভিন্নি আলোচনী আৰু পত্ৰকিাই চুটগিল্পৰ জন্ম আৰু বকিাশত বৰঙনি যোগাইছলি। মূলতঃ স্বল্প পৰসিৰৰ হোৱা বাবইে চুটগিল্প আলোচনী, পত্ৰকিাত প্ৰকাশ

কৰবিলৈ সহজ। সেই বাবেই এডগাৰ এলনে পোৱে চুটগিল্পক ''আমৰেকিান আলোচনীৰ সন্তান'' বুলি অভহিতি কৰছিলি। অসমীয়া চুটগিল্পৰ আৰম্ভণিও জোনাকী কাকতৰ পাততে হছেলি। বৰ্তমান কালত বভিন্নি কাকত, আলোচনী, পত্ৰকিাত চুটগিল্পৰ সংখ্যাই সৰ্বাধকি।

অসমীয়া চুটগিল্প সম্পৰ্কে আলোচনাত প্ৰবৃত্ত হোৱাৰ আগতে আমি চুটগিল্পৰ সংজ্ঞা, ইয়াৰ উপাদান তথা ইয়াৰ বশৈষ্ট্যিসমূহৰ বষিয়েও কছিু কথা জানি লোৱা ভাল। চুটগিল্প সম্পৰ্কে বভিন্নি গল্পকাৰ, আলোচক, সমালোচকে বভিন্নি সময়ত সংজ্ঞা আগবঢ়াইছে। তলত ইয়াৰে কইেটমিান উল্লখে কৰা হ'ল–

- এটা বঠৈকতে পঢ়ি শষে কৰবি পৰা গল্পই চুটগিল্প। –চমাৰচটে মম
- লক্ষ্যৰ একমুখতিা আৰু ফলশ্ৰুতৰি একময়তাই হ'ল চুটি গল্পৰ মূল বশিষেত্ব। – ডাব্লউি এইচ হাডচন
- আধা ঘণ্টাৰ পৰা এক ঘণ্টা বা দুঘণ্টাৰ ভতিৰত পঢ়ি শষে কৰবি পৰা গল্পই চুটগিল্প। –এডগাৰ এলনে পো
- মানুহৰ চৰত্িৰৰ জটলি মনঃসমীক্ষণইে চুটগিল্পৰ প্ৰধান সামগ্ৰী। –হনেৰী জমেছ
- চুটগিল্প এক প্ৰকাৰৰ গল্পই। ইয়াত সংঘটতি হোৱা সকলো ধৰণৰ ঘটনা, দুৰ্ঘটনা, ক্ষপ্রি গতৰিে অভাৱনীয়ভাৱে বকিাশ লাভ কৰি উ□কণ্ঠাৰ মাজদেি শীৰ্ষ দ্বন্দ্বত উপনীত হৈ পৰসিমাপ্তি ঘটবি লাগে। –হউিগ বালপ'ল
- চুটগিল্পৰ সতেে কোনো বশিষে পৰস্থিতি, কোনো ঘটনাংশ, বশিষে অভজি্ঞতা, চৰত্িৰ আৰু কল্পনা আদয়িে সম্পৰ্ক ৰাখে। –চুডনে

চুটগিল্প যনে এটি পাখলিাহী পখলিা, নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহতি বহি মৌ চোঁহে, তাৰ পাছত উৰা মাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৰে বন্দী কৰবি পাৰে মাথোঁন তাৰ এক লহমাৰ আকণ্ঠ মধুপান। –মহন্দেৰ বৰা।

এনদেৰে বভিন্নিজনে চুটগিল্প সম্পৰ্কে নজিৰ নজিৰ ভাব-চন্তিাৰে সংজ্ঞা আগবঢ়াইছে। কন্তিু সময়ৰ পৰৰিবি্তনৰ লগে লগে চুটগিল্পৰ বষিয়বস্তু, ভাববস্তু আৰু ৰূপগত দশিত বভিন্নি পৰৰিবি্তন ঘটছি। সয়েে সৰ্বজনগ্ৰাহ্য তথা সৰ্বকালৰ বাবে গ্ৰহণযোগ্য সংজ্ঞা আগ বঢ়োৱাতো সহজসাধ্য নহয়। তথাপতিো উল্লখিতি সংজ্ঞাকইেটাৰ পৰা চুটগিল্পৰ কইেটমিান বশিষে দশি আমাৰ চকুৰ আগত উদ্ভাসতি হৈ উঠে। চুটগিল্পৰ উপাদান : চুটগিল্প হ'বলৈ হ'লে তাত কইেটমিান নৰ্দিষ্টি উপাদান থাকবি লাগবি। সইেবোৰ হ'ল–

- কাহনিী : চুটগিল্পৰ কাহনিীৰ দুটা ভাগ থাকে– এটা কথা বা গল্প আৰু আনটো কাহনিী বা প্লট। প্ৰখ্যাত ইংৰাজ ঔপন্যাসকি সমালোচক ড্ৰ. ত্ত. Forster ৰে এই দুটাৰ পাৰ্থক্য বুজাই দি কছেে যে– গল্পত সময় অনুক্ৰমে সজোৱা কছিুমান ঘটনাৰ বৰ্ণনা দাঙি ধৰা হয়, কন্তিু প্লটত ঘটনাৰ বৰ্ণনা থাকলিওে ইয়াৰ কাৰ্যকৰণৰ সম্বন্ধৰ ওপৰত অধকি গুৰুত্ব দয়িা হয়। 'ৰজা মৰলি, পছিত ৰাণীও মৰলি –এইটো গল্প, কন্তিু 'ৰজা মৰলি, তওেঁৰ বজোৰতে ৰাণী মৰলি' এইটো প্লট।
- চৰত্িৰ : চুটগিল্পৰ দ্বতিীয়টো উপাদান হ'ল চৰত্িৰ। চুটগিল্পত চৰত্িৰৰ প্ৰকাশহে ঘটে বকিাশ নঘটে। চৰত্িৰৰ কাৰ্যকলাপক

কন্দ্ৰ কৰয়িহৈ প্লটৰ সৃষ্টি হয়। আধুনকি গল্প সাহত্যিত চৰত্ৰি হচিাপে কতেয়িাবা জীৱ-জন্তুৰওে ভূমুকি মাৰে।

- ভাষা : কম শব্দৰে অধকি অৰ্থ প্ৰকাশ কৰবি পৰাকৈ চুটগিল্পৰ ভাষা নৰ্িবাচন কৰা হয়। ব্যঞ্জনাময়ী, প্ৰতীকী, সংযমী, সাৱলীল আৰু প্ৰাঞ্জল প্ৰকাশভংগীয়ে মানুহৰ সূক্ষ্ম অনুভূতি প্ৰকাশ কৰাত সহায় কৰে। চুটগিল্পত এয়া সঠকিভাৱে ব্যৱহাৰ কৰাত গুৰুত্ব দয়িা হয়।
- পৰৱিশে : পৰৱিশেে চুটগিল্প এটি প্ৰাণৱন্ত কৰি কাহনী আৰু চৰত্ৰিৰ বশ্বিাসযোগ্য আৰু বাস্তৱসন্মতভাৱে তুলি ধৰাত সহায় কৰে। সাধাৰণতে চৰত্ৰিৰ মনোজগত উদঙাই দখেুওৱা, চৰত্ৰিৰ মানসকি সংঘাত প্ৰকাশক পৰস্থিতিহিে চুটগিল্পৰ বাবে উপাদয়ে়।
- ঐক্য : চুটগিল্পত তনিটিা ঐক্য ৰক্ষতি হোৱা দখো যায়। যথা– উদ্দশ্যেৰ ঐক্য, ঘটনাৰ ঐক্য আৰু ধাৰণাৰ ঐক্য। পঢ়ুৱৈে মনত বাঞ্চতি প্ৰতকি্ৰয়িা সৃষ্টি কৰবিৰ বাবে এই ত্ৰি-ঐক্যৰ সমন্বয় সাধন হোৱাটো অতীকে প্ৰয়োজনীয়।
- কাব্যধৰ্মতিা : চুটগিল্পৰ আন এটা প্ৰধান উপাদান হ'ল কাব্যধৰ্মতিা। উপযুক্ত শব্দচয়ন, উপমা, প্ৰতীক আদৰি লগতে বৰ্ণনাত চত্ৰিধৰ্মতিা প্ৰয়োগৰ যোগদেি চুটগিল্প ব্যঞ্জনাময় কৰি তুলবি লাগে। ততেয়িাহে ই কাব্যকি গুণ লাভ কৰে।
- জীৱন দৰ্শন : যকিোনো সাহত্যি কৰ্মৰে সতেে জড়তি হৈ থাকে সাহত্যিকিগৰাকীৰ জীৱন দৰ্শন। চুটগিল্পতো গল্পকাৰৰ জীৱন দৰ্শন প্ৰকাশ্য বা অপ্ৰকাশ্যভাৱে সোমাই থাকে।
- চুটগিল্পৰ প্ৰধান বশৈষ্ট্যি : আমি ইতমিধ্যে উল্লখে কৰছিোঁ যে চুটগিল্প হ'বলৈে হ'লে তাত কছিুমান নৰ্িদষ্টি বশৈষ্ট্যি থাকবি লাগবি। চুটগিল্পৰ সংজ্ঞাসমূহ বচিাৰ কৰলিওে আমি কছিুমান বশিষে বশৈষ্ট্যি দখেবিলৈে পাওঁ। সইেবোৰৰ ভতিৰত উল্লখেযোগ্য কইেটমিান হ'ল–
  - চুটগিল্পত ভাব, বষিয়বস্তু আৰু গঠনৰ সংক্ষপ্তিতা থকা উচতি।
  - চুটগিল্পৰ আৰম্ভণি আকস্মকি আৰু পৰসিমাপ্তি নাটকীয়।
  - চুটগিল্পত জীৱনৰ ভগ্নাংশ চত্ৰিতি হয়।
  - লক্ষ্যৰ একমুখতিা আৰু ফলশ্ৰুতৰি একময়তা চুটগিল্পৰ অতি প্ৰয়োজনীয় বশৈষ্ট্যি।
  - চুটগিল্পৰ ভাষা ইংগতিধৰ্মী তথা ইয়াত ব্যঙ্গোক্তৰি প্ৰয়োগো চকুত লগা।
  - চুটগিল্পত মানুহৰ মনস্তত্ত্বৰ যথাযথ বশ্লিষেণ কৰা হয়।

বভিন্নি উপাদানৰ ওপৰত বৰ্ছি গুৰুত্ব লাভ কৰা উপাদানটোক ভত্তিি কৰি চুটগিল্পক 'ঘটনা প্ৰধান', 'চৰত্ৰিৰ প্ৰধান' আৰু 'পৰৱিশে প্ৰধান' আদি ভাগত বভিক্ত কৰবি পাৰি। আনহাতদেি বষিয়বস্তুৰ প্ৰকৃতি অনুসৰওি সামাজকি, পাৰবিাৰকি, প্ৰাকৃতকি, অতপি্ৰাকৃতকি, প্ৰমেমূলক, ৰহস্যমূলক, হাস্যৰসাত্মক, ব্যঙ্গাত্মক আদি ভাগত ভগাব

পাৰা৷ ড° সত্যেন্দ্ৰনাথ শৰ্মাই ৰচনাৰীতি অনুসৰি চুটগিল্পক চাৰটিা ভাগত ভাগ কৰছি– [ক] আত্মবৰিত্তমূলক, [খ] সংলাপাত্মক, [গ] কাব্য প্ৰধান আৰু [ঘ] পৰৰিশে প্ৰধান।

W অগ্ৰগতি নৰীক্ষণ

প্ৰশ্ন নং ১ : চুটগিল্প কতেয়াৰ পৰা এক বশিষ্টি সাহত্যি ধাৰা হচিাপে চহি্নতি হ'ল ?

প্ৰশ্ন নং ২ : চুটগিল্পৰ ভাষা কনেে হে'ৱা উচতি ?

.....

.....

.....

১২.৪ অসমীয়া চুটগিল্পৰ উদ্ভৱ আৰু বকিাশৰ ধাৰা

আমি ইতমিধ্যে উল্লখে কৰছি'ঁ যে অসমীয়া চুটগিল্পই ঊনবংিশ শতকিাৰ শষেৰ ফালে জন্ম লাভ কৰে। কলকিতাৰ পৰা প্ৰকাশতি জে'নাকী কাকতৰ চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যাত [১৮৯২ চনত] প্ৰকাশ পে'ৱা 'সউেতী'য়হৈ হ'ল প্ৰথম অসমীয়া চুটগিল্প। গল্পকাৰ ৰসৰাজ লক্ষ্মীনাথ বজেবৰুৱা। ঊনবংিশ শতকিাৰ শষে দশকত আৰম্ভ হে'ৱা অসমীয়া চুটগিল্পৰ পৰকি্ৰমাই বৰ্তমানলকৈে প্ৰায় ছয় কুৰি বছৰত ভৰি দলি। এই সুদীৰ্ঘ সময়ছে'ৱাত ৰচতি অসমীয়া চুটগিল্পৰ ইতহিাসক সময়ানুক্ৰম অনুসৰি চাৰটিা বহল ভাগত ভাগ কৰি আলে'চনা কৰবি পাৰা৷ যথা– প্ৰাৰম্ভকি যুগ [১৮৯২ পৰা ১৯২৯ চনলৈ], আৱাহন যুগ [১৯২৯ চনৰ পৰা ১৯৪০ চনলৈ], যুদ্ধে'ত্তৰ যুগ বা ৰামধনেু যুগ [১৯৪০ চনৰ পৰা ১৯৭০ চনলৈ], আৰু সাম্প্ৰতকি যুগ [১৯৭০ চনৰ পৰা বৰ্তমানলকৈে]। তলত অসমীয়া চুটগিল্পৰ এই যুগকইেটৰি প্ৰধান গল্পকাৰসকলৰ বষিয়ে বহলাই আলে'চনা দাঙি ধৰা হ'ল। তদুপৰি সইে যুগসমূহত প্ৰকাশ পে'ৱা গল্পসমূহৰ সামগ্ৰকি বশৈষ্ট্যিয্যসমূহৰ বষিয়ওে উল্লখে কৰা হ'ব।

জানি থে'ৱা ভাল

ভাৰতীয় সাহত্যিৰ ভতিৰত প্ৰথম চুটগিল্প ৰচনা হয় উৰয়িা ভাষাত। ১৮৬৮ চনত ফকৰি মে'হন সনোপতৰি 'লচমনীয়া'ই হ'ল প্ৰথম ভাৰতীয়চুটগিল্প। ইয়াৰ পাছত বঙলা সাহত্যিত ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত, হন্দিী সাহত্যিত প্ৰমেচন্দৰ হাতত আৰু অসমীয়া সাহত্যিত লক্ষ্মীনাথ বজেবৰুৱাৰ হাতত আধুনকি চুটগিল্পই জন্ম লাভ কৰে।

বশি্বৰ আন আন ভাষাৰ সাহত্যিৰাজৰি দৰে অসমীয়া সাহত্যিতে'া চুটগিল্পৰ উদ্ভৱ আৰু বকিাশৰ ক্ষত্রেত আলে'চনী তথা পত্ৰকিাই এক গুৰুত্বপূৰ্ণ ভূমকিা গ্ৰহণ কৰছি। জে'নাকী কাকতৰ পাছত বাঁহী [১৯০৯-১৯৪৫], আলে'চনী [১৯১০-১৭], মলিন [১৯২৩], বজিুলী [১৮৯০-৯২], ঊষা [১৯০৭-১৬], সাধনা [১৯২৪], আৱাহন [১৯২৯-১৯৭৬], ৰামধনেু [১৯৫০-১৯৬৭] আদি আলে'চনী, পত্ৰকিাই অসমীয়া চুটগিল্পৰ এক সঠকি ভটেি নৰি্মাণ কৰলি। তাৰ পাছত প্ৰকাশ, গৰীয়সী, প্ৰান্তকি, সাতসৰী আদি আলে'চনীয়ে বৰ্তমানলকৈে এই ধাৰাটি প্ৰৰৰ্তাই ৰাখছি। আনকি আলে'চনীসমূহে ইমানহৈে প্ৰভাৱ বস্তিাৰ কৰি আহছিে যে আলে'চনীসমূহক কন্দেৰ কৰয়িইে একে'টা যুগৰ সৃষ্টি হছেি আৰু আলে'চনীৰ নামৰেইে যুগবভিাজনো সম্পন্ন হছেি।

১২.৪.১ প্ৰাৰম্ভকি যুগ

লক্ষ্মীনাথ বজেবৰুৱাৰ হাততে জন্ম লাভ কৰা অসমীয়া চুটগিল্পৰ প্ৰাৰম্ভকি যুগটি ১৯২৯ চনলকৈে পৰিব্যাপ্ত। বজেবৰুৱাৰ গল্পসমূহক মূলতঃ দুটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। প্ৰথম ভাগটি হ'ল– কৃপাবৰী মনোভাবসম্পন্ন সমাজ সংস্কাৰধৰ্মী। এই ভাগৰ গল্পত গল্পকাৰ বজেবৰুৱাই ব্যংগাত্মক দৃষ্টভিংগীৰে অসমীয়া সমাজত বৰ্তি থকা বভিন্নি কুসংস্কাৰ, ভণ্ড চৰিত্ৰ, হীনতা, নীচতা, অহংকাৰ আৰু অশুভ দশিবোৰৰ ওপৰত দৃষ্টপিাত কৰছি। ভোকনেদ্ৰৰ বৰুৱা, মলক গুইন গুইন, নাঙলু চন্দ্ৰ, ঘণ্টাকৰ্ণ শৰ্মা আদি এনে ধৰণৰ গল্পৰ উদাহৰণ। দ্বতীয় ভাগটি হ'ল– গভীৰ মানৱতাবোধৰ প্ৰকাশক। এই শ্ৰণৌৰ গল্পবোৰত বজেবৰুৱাই মানুহৰ স্বাভাৱকি আবগে-অনুভূতকি সহানুভূতশিীল তথা সংবদেনশীলতাৰে ৰূপায়ণ কৰছি। যনে– ভদৰী, পাতমুগী, মালতী, কন্যা, মুকুতি, জলকুঁৱৰী আদি। উল্লখেযোগ্য যে বজেবৰুৱাৰ গল্পসমূহত বহু সময়ত আধুনকি যুগৰ চুটগিল্পৰ বশৈষ্ট্যসমূহ নটিোল ৰূপত প্ৰকাশ পোৱা নাই। তওেঁ বহু গল্পত সাধুকথা আৰু চুটগিল্পৰ পাৰ্থক্যও ৰক্ষতি হোৱা নাই। তথাপওি বহু কহৈটা গল্পত ভাবৰ ব্যঞ্জনাধৰ্মতিাৰ লগত লক্ষ্যৰ একমুখতিা আৰু ফলশ্ৰুতবি একময়তা সাৰ্থক ৰূপত প্ৰকাশ পাইছ। উদাহৰণস্বৰূপে পাতমুগী, ভদৰী, বাপৰিাম আদি গল্প। আংগকি বা অন্যান্য কলা-কৌশলগত দশিত বজেবৰুৱাৰ গল্প নখুঁত নহ'লওে অসমীয়া চুটগিল্পৰ ইতহিাসত প্ৰথম গল্পকাৰ হচিাপে বজেবৰুৱাৰ স্থান অতকিে উচ্চ। অসমীয়া সাহত্যিৰ বুৰঞ্জীত গল্পকাৰ বজেবৰুৱাৰ ঐতহিাসকি গুৰুত্ব সৰ্বকালৰ বাবে স্বীকৃত হৈ ৰ'ব।

বজেবৰুৱাৰ লগতে প্ৰাৰম্ভকি কালত অসমীয়া চুটগিল্পক সমৃদ্ধ কৰা গল্পকাৰ কইেজন হ'ল– শৰ□ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা, সূৰ্যকুমাৰ ভূঞা, দণ্ডনিাথ কলতিা, লক্ষ্মীনাথ ফুকন, মত্বিদৰে মহন্ত, মহীচন্দ্ৰ বৰা, হলৰিাম ডকো আদি। ইতপিূৰ্বে উল্লখে কৰা আলোচনীসমূহৰ মাজত আত্মপ্ৰকাশ কৰা এই গল্পকাৰসকলে অসমীয়া গল্প সাহত্যিৰ ভঁৰাল চহকী কৰাত অৰহিণা যোগাইছলি। উল্লখেযোগ্য যে ইয়াৰে প্ৰথম চাৰজিন গল্পকাৰৰ বাদে বাকীসকল গল্পকাৰে জোনাকী তথা সমসাময়কি আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰছিলি যদওি পৰৱৰ্তী কালতহে প্ৰতষ্ঠিা লাভ কৰ। সয়েে তওেঁলোকক 'আৱাহন যুগ'ৰ আঁওতাৰ ভতিৰতে ৰখা হয়।

শৰ□ চন্দ্ৰ গোস্বামীয়ে বাস্তৱধৰ্মী বষিয়বস্তুৰে গল্প ৰচনা আৰম্ভ কৰ। এওঁৰ গল্পৰ বান্ধোন আটলি, ভাষা অনাড়ম্বৰ আৰু গল্পত বাকচাতুৰ্যতা লক্ষ্য কৰা যায়। শৰ□ চন্দ্ৰ গোস্বামীয়েই অসমীয়া চুটগিল্পৰ আংগকিগত দশিৰ বহুখনি পৰৰিৱ্তন ঘটাই প্ৰকৃত অৰ্থত অসমীয়া চুটগিল্পৰ ইতহিাস আৰম্ভ কৰ। গোস্বামীৰ গল্প পুথি কইেখন হ'ল– গল্পাঞ্জলি [১৯১৪], ময়না [১৯২০], বাজকিৰ [১৯৩০] আৰু মৰণোত্তৰভাৱে প্ৰকাশতি পৰদিৰ্শন [১৯৫৬]।

দণ্ডনিাথ কলতিাই অসমীয়া চুটগিল্পৰ ক্ষত্রেখন বৰ বশিষে শক্তশিালী কৰি তুলবি নোৱাৰলিে যদওি এই নব্য ঢলটি প্ৰৱাহতি কৰি ৰখাত হাত উজান দছিলি। কৱেল পাঁচোটা গল্পৰ সংকলন পঞ্চমাৰে আত্মপ্ৰকাশ কৰা সূৰ্যকুমাৰ ভূঞাই পাছলে গল্প ৰচনাত মনোনৱিশে নকৰলি। এওঁৰ গল্পসমূহো বৰ নটিোলভাৱে বন্যিাস কৰা নহয়। এই সময়তে গল্পকাৰ হচিাপে আত্মপ্ৰকাশ কৰা আনজন গল্পকাৰ হ'ল নকুল চন্দ্ৰ ভূঞা। উল্লখেযোগ্য যে এওঁ আৱাহন যুগতো বহু গল্প ৰচনা কৰছিলি। কন্তিু গল্পৰ শল্পৈকি গুণৰ ফালৰ পৰা এওঁৰ গল্পসমূহ আৱাহন যুগৰ শল্পি মূল্যৰ সমান হৈ নুঠলি। সয়েে নকুল চন্দ্ৰ ভূঞাক অসমীয়া চুটগিল্পৰ প্ৰাৰম্ভকি স্তৰৰে গল্পকাৰ হচিাপে চহি্নতি কৰা হয়।

অসমীয়া চুটগিল্পৰ গতকি বৰ বশিষেভাৱে তৰান্বতি কৰা তুলবি নোৱাৰলিওে দণ্ডনিাথ কলতিা, সূৰ্য্য কুমাৰ ভূঞা আৰু নকুল চন্দ্ৰ ভূঞাই প্ৰাৰম্ভকি কালত অসমীয়া চুটগিল্প ৰচনা কৰা ইয়াৰ গতি প্ৰবাহতি কৰা ৰাখছিলি। এই বাবইে এওঁলোকৰ নাম অসমীয়া চুটগিল্পৰ ইতহিাসত সদাস্মৰণীয়।

W অগ্ৰগতি নৰীক্ষণ

প্ৰশ্ন নং ৩ : সূৰ্য্য কুমাৰ ভূঞাৰ গল্প পুথখিনৰ নাম কি?

.

.....

.....

১২.৪.২ আৱাহন যুগ

অসমীয়া চুটগিল্পৰ ইতহিাসৰ দ্বতিীয় স্তৰটোৱইে হছৈে আৱাহন যুগ। ইয়াৰ সময় সীমা ১৯২৯ চনৰ পৰা ১৯৪০ চনলকৈে। ১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাৰে কলকিতাৰ পৰা প্ৰকাশ পোৱা আৱাহন কাকতৰ পাততে অসমীয়া চুটগিল্পৰ দ্বতিীয়টো স্তৰ আৰম্ভ হয়। জোনাকীৰ পাতত আত্মপ্ৰকাশ কৰা অসমীয়া চুটগিল্পই এই যুগতে ভাৰবস্তুগত আৰু ৰূপবস্তুগত দশিত বকিাশ লাভ কৰে। ড° শলৈেন ভৰালীয়ে মন্তব্য কৰছি– ‘‘জোনাকী যুগত কৰতিাৰ যি জোৱাৰ উঠছিলি আৱাহন যুগত সইে জোৱাৰ উঠে চুটগিল্পৰ ক্ষত্রেৰত। এক অৰ্থত ক’বলৈ হ’লে আৱাহনৰ পাততে অসমীয়া চুটগিল্পই এক বশিষ্টি তথা জনপ্ৰয়ি মাধ্যম হচিাপে চহি্নতি হয়। ’’ এই যুগৰ প্ৰধান গল্পকাৰসকল হ’ল– নগনেদ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডকো, ৰমা দাস, বীণা বৰুৱা, ত্ৰলৈোক্য নাথ গোস্বামী, ৰাধকিা মোহন ভাগৱতী, কৃষ্ণ ভূঞা আদি।

‘পোহাৰী’ গল্পত আত্মপ্ৰকাশ কৰা নগনেদ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পত সমকালীন গোৱালপাৰা জলিাৰ উঁৱলি যাব ধৰা জমদিাৰী সমাজ, জনজাতীয় সহজ সৰল জীৱন, ক্ষয় হ’বলৈ ধৰা সমাজ ব্যৱস্থা আৰু কুসংস্কাৰৰ বলি হোৱা নাৰীৰ জীৱন তথা নৰ-নাৰীৰ প্ৰমে আদৰি সাৰ্থক প্ৰকাশ ঘটছি। এওঁৰ কইেটমিান উল্লখেযোগ্য গল্প হ’ল– পোহাৰী, টুনী, মুক্তি, ভাগ বটোৱাৰা, বগীতৰা আদি। লক্ষ্মীনাথ ফুকনৰ আত্মপ্ৰকাশ ঘটে আলোচনী কাকতত। মধৌ, ডাক্তৰ, টাইপষ্টিৰ জীৱন আদি গল্পৰে অসমীয়া গল্প সাহত্যিলৈ অৱদান আগবঢ়োৱা লক্ষ্মীনাথ ফুকনৰ গল্পত নভিাঁজ গ্ৰাম্য ভাষাৰ লগতে উপমাধম[1] ভাষাৰ প্ৰয়োগ ঘটছি। বজেবৰুৱাৰ পাছতে হাস্য ব্যংগৰ মাজৰেে প্ৰকাশ পোৱা সংস্কাৰধৰ্মী ধাৰাটোৰ আন এজন গল্পকাৰ হ’ল মহীচন্দ্ৰ বৰা। কৰোণীৰ কপাল, অব্যয়, চাকনয়ৈা আদি গল্পৰে এওঁ এই ধাৰাটি বৰ্তাই ৰাখছিলি। লক্ষ্মীধৰ শৰ্মাই চৰত্রিৰ মনস্তাত্ত্বকি বশি্লষেণ আৰু সামাজকি চতেনাসম্ভূত আদৰ্শৰে আৱাহন যুগৰ অসমীয়া চুটগিল্পক বলেগে এটা মৰ্যাদা প্ৰদান কৰ। ব্যৱ্থতাৰ দান, চৰিাজ, বদি্ৰোহনিী, লীনা আদি হ’ল তওঁৰ উল্লখেযোগ্য গল্প।

জানি থোৱা ভাল

লক্ষ্মীধৰ শৰ্মাৰ ‘চৰিাজ’ গল্পটৰি আধাৰতে ফণী শৰ্মাই একে নামৰেে এখন নাটক ৰচনা কৰ। তদুপৰি একে নামৰেে এখন অসমীয়া কথাছবওি নৰি্মাণ কৰা হয়।

হলৰিাম ডকোই 'ৰে বড়ে ভাই', 'দ্বতিীয় পক্ষ', 'ভ্ৰষ্টলপি' আদি গল্পৰে ফ্ৰয়ডেীয় মনস্তত্ত্ব, চতেনাস্ৰোত আদি ভাবধাৰা সাৰ্থক ৰূপত প্ৰকাশ কৰছি। এওঁ চকেভক অনুসৰণ কৰি সাধাৰণ একোটা পৰস্থিতি সাৱলীলভাৱে, তা□পৰ্যপূৰ্ণভাৱে প্ৰকাশ কৰাত সাৰ্থক হছে। অসমীয়া গল্প সাহত্যিত কল্পনাৰে বচিত্ৰি ৰমণীয় কাহনিী নৰ্মিাণ কৰাৰ বাৰে বশিষেভাৱে উল্লখেযোগ্য ৰমা দাস। অচল টকা, প্ৰায়শ্চত্তি, অবুজ মায়া, কোন এও নতুন মৰিাণ্ড়া, বৰ্ষা যতেয়িা নামে – আদি এওঁৰ উল্লখেযোগ্য গল্প। পট পৰৰিৰ্তন আৰু আঘোনী বাই নামৰ দুখন গল্পপুথৰি বীণা বৰুৱাই গ্ৰাম্য জীৱনৰ স্বাভাৱকি পৰৰিশে চত্রিতি কৰছি। ত্ৰলৈোক্য নাথ গোস্বামীৰ এটা গৰম কোট, পততি আৰু পততিা, দুটকীয়া নোট, পৰাজয় – আদি গল্পৰ মাজদেি সামাজকি আদৰ্শ আৰু নতৈকি প্ৰমূল্য প্ৰতষ্ঠিাৰ আগ্ৰহ প্ৰকাশতি হছে। কৃষ্ণ ভূঞাৰ গল্পত বষিয়বস্তু আৰু আংগকিে সমানে প্ৰাধান্য লাভ কৰছি। নৰ্মিুদ্দশে, যাদুঘৰ, ৰূপৰ পূজা আদি এওঁৰ প্ৰধান গল্প। কৃষ্ণ ভূঞাই আৱাহন যুগতে আত্মপ্ৰকাশ কৰছিলি যদওি এওঁ ৰামধনেু যুগতোে গল্প ৰচনা কৰি গছৈলি। ৰাধকিা মোহন গোস্বামীয়ে ষ্টটে টন্সেপৰ্ট, দৱেতাৰ সমাধি –আদি গল্পৰে প্ৰাত্যহকি জীৱনৰ সৰু সুৰা ঘটনা, মনোদ্বন্দ্ব্বৰ চত্রিণৰে ত্ৰশিংকু প্ৰায় মধ্যবত্তিি জীৱনৰ প্ৰাপ্তি আৰু অপ্ৰাপ্তি, আনন্দ আৰু হুমুনয়িাহৰ ছৰি চত্রিতি কৰছি। এওঁলোকৰ উপৰি মুনীন বৰকটকী, দীননাথ শৰ্মা, দ্বীপান্বতিা চৌধুৰী, চাহ চয়েদ হাছান আলি, উমশেচন্দ্ৰ শইকীয়া, উমাকান্ত শৰ্মা, সুপ্ৰভা গোস্বামী, নলনীকান্ত বৰুৱা প্ৰভৃতি গল্পকাৰে আৱাহন কাকতৰ লগতে বভিন্নি ভাষাত আলোচনীৰে অসমীয়া গল্প সাহত্যিৰ বকিাশ আৰু সমৃদ্ধতি অৰহিণা যোগাল। আৱাহন যুগৰ গল্পসমূহৰ কইেটমিান উল্লখেযোগ্য বশৈষ্ট্যি হ'ল–

উদাৰনতৈকি মানৱতাবাদী দৃষ্টভিংগীৰে অসমীয়া চুটগিল্পক বাস্তৱবাদী কৰি তোলা।

সামাজকি চতেনা প্ৰখৰ আৰু সমাজৰ প্ৰতি দায়বদ্ধতা সুস্পষ্ট।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি সদচ্ছিা আৰু প্ৰবল জাতীয়তাবোধৰ প্ৰকাশ।

ৰোমাণ্টকি ভাবাদৰ্শৰ প্ৰসাৰ।

পাশ্চাত্যৰ বভিন্নি গল্পকাৰৰ গল্পৰ প্ৰভাৱ। মনোবশ্লিষেণাত্মক, ফণেটাছীধৰ্মী, ৰোমাণ্টকি বাস্তৱবাদ, চতেনাস্ৰোত আদি বভিন্নি ভাবধাৰাৰ প্ৰভাৱ বস্তিাৰ। প্ৰগতশিীল চন্তিাধাৰাৰ আৰম্ভণী ইত্যাদি।

W অগ্ৰগতি নৰীক্ষণ

প্ৰশ্ন নং ৪: চৰিাজ গল্পটৰি গল্পকাৰ কোন ?

.....

১২.৪.৩ যুদ্ধোত্তৰ যুগ বা ৰামধনেু যুগ

দ্বতিীয় মহাযুদ্ধৰ আৰম্ভণৰি লগে লগে সমগ্ৰ ভাৰতৰে ৰাজনতৈকি পৰস্থিতি অস্থৰি হৈ পৰে। লগে লগে অসমীয়া সাহত্যিৰ বাতাবৰণোে সলনি হয়। ভাৰতৰ স্বাধীনতা আন্দোলন, দ্বতিীয় মহাযুদ্ধ, ভাৰতৰ স্বাধীনতা লাভ আদি ঘটনাই অসমীয়া সমাজ জীৱনক জোকাৰি যায়। এই সময়তে অসমীয়া সাহত্যিৰোে স্বৰূপ সলনি হয়।

স্বৰাজ'োত্তৰ কালত অসমীয়া চুটগিল্পই অধকি সমৃদ্ধশিালী ৰূপত আত্মপ্ৰকাশ কৰ। ১৯৫০ চনৰ পৰা প্ৰকাশ প'োৱা ৰামধনেু নামৰ আল'োচনীখনে এই ক্ষত্েৰত বশিষেভাৱে উল্লখেনীয় ভূমকিা গ্ৰহণ কৰছিলি। ১৯৪৩ চনত পুনৰ প্ৰকাশতি প্ৰগতশিীল জয়ন্তী কাকতৰ বুকুতেই এই পৰক্িৰমাৰ আৰম্ভ হয় যদওি ৰামধনেু আল'োচনীৰ পাততহে ই অধকি জনপ্ৰয়ি তথা বস্িতাৰতি হৈ উঠলি। সইে বাবইে এই যুগটকি 'যুদ্ধ'োত্তৰ যুগ' বা 'ৰামধনেু যুগ' বুলি নামকৰণ কৰা হছে। অসমীয়া সাহত্িযৰ ইতহিাসকাৰসকলৰ বহুতে যুদ্ধ'োত্তৰ যুগৰ সময়সীমা অতি সাম্প্ৰতকি সময়লকৈে সামৰি লছে। কন্িতু ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই এই সময়সীমা ১৯৪০ চনৰ পৰা ১৯৭০ চনলকৈে বুলি চহ্িনতি কৰবি বচিাৰ। কাৰণ ''১৯৭০ চনৰ পাছৰে পৰা অসমীয়া সাহত্িযই পুনৰ মুৰ সলাইছ'' বুলি তওেঁ মন্তব্য কৰছি। আৱাহন যুগত প্ৰতষ্ঠিা লাভ কৰা দুই এক গল্পকাৰৰ লগত ৰামধনেু যুগত আত্মপ্ৰকাশ কৰলিে এচাম নতুন গল্পকাৰ। এওঁল'োকে ন-ন আংগকি তথা বষিয়বস্তুৰে অসমীয়া চুটগিল্পক অধকি সমৃদ্ধ কৰি ত'োল।

ৰামধনেু যুগৰ সাহত্িযক পটভূমৰি মূলতে আছলি দ্বতিীয় বশি্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দ'োলন, স্বাধীনতা লাভ, ম'োহভংগৰ যন্ত্ৰণা আদি। দ্বতিীয় বশি্বযুদ্ধই মানুহৰ প্ৰচলতি সামাজকি দৃষ্টভিংগী তথা মূল্যব'োধক কুঠাৰঘাত কৰ। এই সময়তইে ভাৰতবৰ্ষই লাভ কৰে স্বাধীনতা। ই মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰছিলি যদওি বহু নতুন নতুন সমস্যাৰ'ো সৃষ্টি কৰলি। ভাৰতৰ অৰ্থনতৈকি অৱস্থাৰ অৱনতি ঘটলি। মানুহৰ মনলৈ হতাশা আহলি। ''সামাজকি আৰু ব্যক্তগিত সম্পৰ্কৰ অৱনতি, সামাজকি আৰু নতৈকি প্ৰমূল্যসমূহত ধৰা ভাঙন, সাম্প্ৰদায়কি সংঘৰ্ষ, ৰাজনতৈকি সংগ্ৰাম, যুদ্ধই সৃষ্টি কৰা মুদ্ৰাস্ফীতি আৰু অনাটন, নতুন ধৰ্ণাঢ্য শ্ৰণেীৰ সৃষ্টি– এই আটাইবে'োৰ সংকট, সমস্যা আৰু ঐতহিাসকি ঘটনাই জাতীয় জীৱনত এক ডাঙৰ পৰৰ্িৱতনৰ সূচনা কৰ। '' এইব'োৰৰ ফলস্বৰূপে অসমীয়া চুটগিল্পলওৈ পৰৰ্িৱতন আহলি। ইয়াৰ লগতে প্ৰভাৱ পলোলে পাশ্চাত্য সাহত্িয়য়ে'া। বভিন্নি সাহত্িযকি মতবাদ, যনে– সমাজবাদী, বাস্তৱবাদ, মনস্তাত্ত্বকি, অৱস্থতিবিাদ, অভব্যিক্তবিাদ, অতবিাস্তৱবাদ, চতেনাস্ৰ'োত আদয়িে অসমীয়া চুটগিল্পত স'োমাই পৰি এই শল্পিকৰ্মটকি অধকি বচৈত্িৰ্যয্যময়ী কৰি ত'োল। গল্পকাৰসকল বষিয়বস্তু আৰু আংগকিৰ প্ৰৰ্তি অধকি সচতেন হ'ল। এই সময়তে ৰামধনেু কাকতকে কন্দ্রে হচিাপে লৈ অসমীয়া গল্পকাৰে অসমীয়া চুটগিল্পক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰলিে ন ন ভাব তথা আংগকিৰে। ৰামধনেু যুগৰ প্ৰধান গল্পকাৰসকলৰ ভতিৰত উল্লখেযে'াগ্য হ'ল– চয়ৈদ আব্দুল মালকি, বীৰন্দ্রে কুমাৰ ভট্টাচাৰ্য, য'োগশে দাস, মহমি বৰা, স'ৌৰভ কুমাৰ চলহিা, ভবন্দ্রে নাথ শইকীয়া, হ'োমনে বৰগ'োহাঞ্ি, নৰি'োদ চ'ৌধুৰী, চন্দ্রপ্ৰসাদ শইকীয়া, স্নহে দৰ্ৰী, নৰ্িপমা বৰগ'োহাঞ্ি, অতুলানন্দ গ'োস্বামী, শীলভদ্র, মামণি ৰয়ছম গ'োস্বামী, নগনে শইকীয়া, অণমিা দত্ত, প্ৰবীণা শইকীয়া, গ'োবন্িদ প্ৰসাদ শৰ্মা, কুমুদ গ'োস্বামী, অপূৰ্ব শৰ্মা, ভদ্ৰশ্েবৰ শইকীয়া, ৰজিু হাজৰকিা, যতীন বৰা, লক্ষ্মীনন্দন বৰা আদি। জয়ন্তীৰ পাততে গল্পকাৰ হচিাপে প্ৰতষ্ঠিা লাভ কৰা চয়ৈদ আব্দুল মালকিৰ চুটগিল্পই পণেত ৰূপ লাভ কৰে ৰামধনেু যুগত। সামাজকি সচতেনতা, ৰ'োমাণ্টকি স্ব›Ÿ আৰু নৰ-নাৰীৰ যৌন সম্পৰ্কৰ বশি্লষেণ আদয়িইে আছলি তওেঁৰ গল্পৰ মূল উপজীব্য। হৰি মাষ্টৰৰ দ'োকান, বীভ□স বদেনা, তনিচিকীয়া গাড়ী, যীশুখৃষ্টৰ ছবি, কাঠফুলা –আদি এওঁৰ উল্লখেযে'াগ্য গল্প। বীৰন্দ্রে কুমাৰ ভট্টাচাৰ্যই এজনী জাপানী ছ'োৱালী,

মাকনৰ গোঁসাঁই, মঞ্জিা মনচুৰ, ঈদৰ জোন – আদি গল্পৰে সামাজকি বাস্তৱবাদক অধকি স্পষ্ট কৰি তোলে। নাট্যগুণধৰ্মতিা আৰু গীতধিৰ্মতিা এওঁৰ গল্পৰ প্ৰধান বশৈষ্ট্যয্য। মহমি বৰাই কাঠনবিাৰী ঘাট, বহুভূজি ত্ৰভিুজ, মই পপিলি আৰু পূজা, ৰাতি ফুলা ফুল, এখন নদীৰ মৃত্যু –আদি গল্পৰে ঘটনা উপযোগী বাস্তৱ পৰৱিশে সৃষ্টি কৰি এক কাব্যকি ব্যঞ্জনাৰে গভীৰ জীৱনবোধৰ প্ৰকাশ কৰছিলি।

এই যুগৰ আন এজন বশিষ্টি কথাশল্পিী হ'ল সৌৰভ কুমাৰ চলহিা। আন গল্পকাৰ সকলতকৈ কছিু পৃথক বষিয়বস্তু আৰু প্ৰকাশভংগীৰ অভনিৱত্বৰে আধুনকি নগৰকন্দ্ৰকি জীৱনৰ নঃিসংগতা, বচ্ছিন্নিতা, অন্তঃসাৰশূন্যতাৰ বুদ্ধদিীপ্ত প্ৰকাশ ঘটছিে এওঁৰ গল্পত। অশান্ত ইলকে্টªন, বীণা কুটৰি, গোলাম, এহাত ডবা আদি তওেঁৰ প্ৰধান গল্প। যোগশে দাসে কলপটুৰাৰ মৃত্যু, গৰাখহনীয়া, বৰদউেতা, পৃথৱিীৰ অসুখ আদি গল্পৰে অসমীয়া গল্প সাহত্যিক সমৃদ্ধ কৰছিলি। ভবনেদ্ৰ নাথ শইকীয়াই পথ নৰিূপমা গল্পৰে নজিৰ গল্পকাৰ জীৱন আৰম্ভ কৰি গ্ৰহণ, গহ্বৰ, প্ৰহৰী, অসুখ, এন্দুৰ, ঢোৰাসাপ আদি উ□কৃষ্টতম গল্প লখিি অসমীয়া গল্পসাহত্যিৰ ভঁৰাল চহকী কৰে। মহনেদ্ৰ বৰাৰ মতে এওঁৰ গল্পত ''ডটিহেলছ'ৰ ধাৰ নছিগিা স্ফুৰণ'' পোৱা যায়। বৌদ্ধকি দুখ আৰু বষিাদ তথা সামাজকি যন্ত্ৰণাই সৃষ্টি কৰা যন্ত্ৰণা আৰু ক্ৰোধৰ বহপ্ি্ৰৰ্কাশ ঘটছিলি হোমনে বৰগোহাঞৰি গল্পত। ইস্মাইল শখেৰ সন্ধানত, ভয়, এপটিাফ, ধুমুহা, হাতী, আনন্দৰ উ□স, শূন্যতা আদি এওঁৰ উ□কৃষ্টতম গল্পবোৰৰ একোটা। 'এদনি' নামৰ গল্পৰে আত্মপ্ৰকাশ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত আদৰ্শপৰায়ণতা আৰু মানৱীয় প্ৰমূল্যঅন্বষেী চৰত্িৰ সৃষ্টৰি প্ৰৱণতা লক্ষ্য কৰা হয়।

বৰ্তমানলকৈে গল্প ৰচনা কৰি থকা এই সময়ৰ দুজন গল্পকাৰ হ'ল শীলভদ্ৰ আৰু লক্ষ্মীনন্দন বৰা। স্নহে দৱৌৰ গল্পত প্ৰাত্যহকি ঘটনাৰ মাজদেি একোটা আদৰ্শ ৰূপায়ণ কৰাৰ আগ্ৰহ চকুত পৰে। ঠকি সইেদৰে নৰিুপমা বৰগোহাঞৰি গল্পত দখো যায় নাৰীমনৰ মুক্ত প্ৰকাশ আৰু গ্ৰাম্য জীৱনৰ চত্িৰ। এই যুগৰ আন এগৰাকী ব্যতক্িৰমধৰ্মী গল্পকাৰ হ'ল অপূৰ্ব শৰ্মা। চতেনাস্ৰোত ধাৰাৰে লখিা এওঁৰ গল্পসমূহত ঘাইকৈ ব্যক্তৰি মনোদ্বন্দ্ব্বক প্ৰধান উপজীব্য কৰি লোৱা হছৈলি। শুভৱাৰ্তা, ননিাদ, বাহৰিলৈ যোৱা বাট, হলধৰ আদি এওঁৰ উল্লখেযোগ্য গল্প।

ৰামধনেু যুগতে নগনে শইকীয়াইয়োঁ আংগকিৰ প্ৰতসিজাগ দৃষ্টি নক্িষপে কৰি গল্প ৰচনাত ব্ৰতী হছৈলি। আন্ধাৰত নজিৰ মুখ, মজদি চাৰ ঢুকাল, অন্তমি অপক্ষো আদি এওঁৰ উ□কৃষ্ট গল্পৰ উদাহৰণ। পাচলৈ ঔপন্যাসকি হচিাপে চহি্নতি হোৱা মামণি ৰয়ছম গোস্বামীয়ওে এই সময়তে গল্পকাৰ হচিাপে আত্মপ্ৰকাশ কৰছিলি। নাৰীৰ মনস্তত্ত্বৰ লগতে নাৰী মুক্তৰি চতেনা মানৱীয় দৃষ্টভিংগীৰে প্ৰকাশ পাইছলি এওঁৰ গল্পত।

এই সময়তে প্ৰতষ্ঠিা লাভ কৰা গল্পকাৰ নৰিোদ চৌধুৰী, ইমৰান শ্বাহ, অণমিা দত্ত, অৰুণ গোস্বামী, কুমুদ গোস্বামী, অতুলানন্দ গোস্বামী, মদেনিী চৌধুৰী, পদ্ম বৰকটকী, বীৰশ্বেৰ বৰুৱা, ছাইদুল ইছলাম, নীলমিা শৰ্মা, ভূবনমোহন মহন্ত, মহনেদ্ৰ বৰঠাকুৰ, প্ৰবীণা শইকীয়া, কশেৱ শইকীয়া, গোবনিদ প্ৰসাদ শৰ্মা, সদা শইকীয়া, হৰকৃেষ্ণ ডকো, কামাখ্যা সভাপণ্ডতি, পোলনে বৰকটকী, ত্ৰলৈোক্য ভট্টাচাৰ্য, ৰজিু

হাজৰিকা, কুমাৰ কশিোৰ আদয়িও বভিন্নি গল্প লখিি অসমীয়া গল্প সাহত্যিৰ ভঁৰাল চহকী কৰা গছে বা সমৃদ্ধ কৰছি।

এই সময়ৰ গল্পসমূহৰ প্ৰধান বশৈষ্ট্যিসমূহ এনদেৰে লপিবিদ্ধ কৰবি পাৰা–

সামাজকি দায়বদ্ধতা, সমাজ সচতেনৰ মূৰ্ত প্ৰকাশ।

মানৱকি চতেনাৰ গুৰুত্ব অধকি।

ব্যংগাত্মক ধাৰা এটাইও গঢ় লৈ উঠছিলি। ই বলষ্ঠি ভূমকিা গ্ৰহণ কৰছি।

মানৱীয় মনস্তত্ত্বৰ সাৰ্থক প্ৰকাশ।অভব্যিক্তবিাদ, অধবিাস্তৱবাদ, প্ৰগতবিাদ আদৰি দৰে অন্যান্য মতবাদৰ সাৰ্থক প্ৰকাশ ইত্যাদি।

W অগ্ৰগতি নৰীক্ষণ

প্ৰশ্ন নং ৫ : সৌৰভ কুমাৰ চলহিাৰ গল্পৰ মূল বষিয়বস্তু কি?

.....

.....

প্ৰশ্ন নং ৬ : 'মজদি চাৰ ঢুকাল' – এই গল্পটৰি গল্পকাৰ কোন?

.....

.....

১২.৪.৪ সাম্প্ৰতকি যুগ

ৰামধনেু আলোচনীৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পাছতে অসমীয়া গল্প সাহত্যিয়োঁ সুঁতি সলাইছলি। বভিন্নি সাহত্যি সমালোচকে কুৰি শতকিাৰ শষেৰ দশক কইেটকিে অসমীয়া সাহত্যিৰ সাম্প্ৰতকি যুগ বুলি অভহিতি কৰছি। সইে ফালৰ পৰা বচিাৰ কৰলিে সাম্প্ৰতকি যুগৰ সময় সীমা ২০০০ চনতে সীমাবদ্ধ হৈ পৰবি। কন্তিু তাৰ পাছত আৰু ডৰে দশক কাল পাৰ হৈ গ'ল। সইে বাবে আমি আমাৰ এই আলোচনাৰ সাম্প্ৰতকি যুগ বুলি ক'লে একবংিশ শতকিাৰ প্ৰথম দশকটোলকৈে সামৰমি।

আমি ইতমিধ্যে উল্লখে কৰছিোঁ যে ১৯৭০ চন মানৰ পৰাই অসমীয়া সাহত্যিহি পুনৰ সুঁতি সলাইছ। ইয়াৰ মূলতে হ'ল এই সময়ছোৱাত সংঘটতি বভিন্নি সামাজকি, ৰাজনতৈকি তথা অৰ্থনতৈকি পৰৱিৰ্তন। ভাৰতবৰ্ষই ১৯৪৭ চনতে স্বাধীনতা লাভ কৰলিে যদওি ইয়াৰে বভিন্নি অঞ্চল আগৰ দৰইে অনগ্ৰসৰ হৈ ৰ'ল। অৰ্থা অধকিাংশ লোকৰে স্বাধীনতা সম্পৰ্কে থকা ধাৰণাৰ সলনি ঘটলি, মোহভংগ ঘটলি। সইে সময়তে বাংলাদশেত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনত ভাৰতৰ সহযোগে অসমত অৰ্থনতৈকি অৱক্ষয়োঁ সৃষ্টি কৰলি। লগে লগে আৰম্ভ হ'ল জৰুৰীকালীন অৱস্থা, অস্তত্বি ৰক্ষাৰ আন্দোলন, স্বাধীন অসমৰ আন্দোলন। বভিন্নি নৃ-গোষ্ঠীয়ে তওেঁলোকৰ প্ৰাপ্য আদায়ৰ বাবে হাতত বন্দুক তুলি লৈ সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰলি। কইেবাটাও আৰ্মি অপাৰশ্যেনত অসমীয়া সমাজ-জীৱন জৰ্জড়তি হৈ পৰলি। এনদেৰে বভিন্নি ঘটনা-পৰঘিটনাৰে তেয়িাৰে পৰা বৰ্তমানলকৈে অসমৰ আকাশ, সমাজ জীৱন বচিৌত। অসমীয়া সাহত্যিতোঁ এইবোৰ ঘটনাৰ প্ৰকাশ ঘটা দখেবিলৈ পোৱা গ'ল। প্ৰহ্লাদ কুমাৰ বৰুৱাই সইেবাবইে মন্তব্য কৰছি– ''সংক্ষপেে ক'বলৈ

গ'লে ১৯৭০ চনৰ পছিৰ পৰা অসমৰ ৰাজনতৈকি অস্থৰিতাই ভয়াৱহ ৰূপ ধাৰণ কৰি আহছিে আৰু এই অৱস্থাৰ পৰা জনসাধাৰণক মুক্ত কৰবিৰ বাবে অবৰিতভাৱে প্ৰতবিাদী কণ্ঠও ঘোষতি হৈ আহছিে। ''

ৰামধনে যুগৰ কইেবাজনোে গল্পকাৰে এই সময়ছোৱাতোে গল্প লখিি থকাৰ লগতে বহুকইেজন প্ৰতভিাসম্পন্ন গল্পকাৰৰোে আৱ্ৰভিাব ঘটলি এই আলোচ্য সময়ছোৱাতে। তাৰে কইেজনমান উল্লখেযোগ্য গল্পকাৰ হ'ল– অৰুণ গোস্বামী, অনলি শইকীয়া, অখলি চক্ৰৱৰ্তী, অৰূপা পটঙ্গীয়া কলতিা, অভজিি শৰ্মা বৰুৱা, মনোৰমা মধেি, জ্যোতষি শকিদাৰ, দৰেব্ৰত দাস, নবীন বৰুৱা, প্ৰশান্ত কুমাৰ দাস, প্ৰশান্ত ৰাজগুৰু, বপিুল কুমাৰ শইকীয়া, বজিয় শংকৰ শৰ্মা, ভূপনে শৰ্মা, বপিুল খাটনয়িাৰ, বন্দীতা ফুকন, ভূপনেদ্ৰ নাৰায়ণ ভট্টাচাৰ্য, ভৃঙ্গশ্বেৰ শৰ্মা, মদন শৰ্মা, মনোজ কুমাৰ গোস্বামী, যমুনা শৰ্মা চৌধুৰী, ৰং বং তৰোং, ৰফকিুল হুছইেন, শবিানন্দ কাকতি, স্যামন্ত ফুকন, হৰিণ্য কাশ্যপ, য়চে দৰজে ঠংছিং, ইমৰান হুছইেন, উদয়াদত্যি ভৰালী, ফনীন্দ্ৰ কুমাৰ দৰেচৌধুৰী, অপূৰ্ব্ব কুমাৰ শইকীয়া, বসন্ত দাস, পৰমানন্দ ৰাজবংশী, কুল শইকীয়া, জয়ন্ত কুমাৰ চক্ৰৱৰ্তী, অতনু ভট্টাচাৰ্য, মৌচুমী কন্দলী, বতিোপন বৰবৰা, বন্তি শনেছোৱা, নৱনীতা গগৈ, পূৰবী বৰমুদৈ, নীলমিা ঠাকুৰীয়া হক, অৰূপ কুমাৰ নাথ, মনকিা দৰৌ, অনামকিা বৰা, প্ৰাৰ্থনা শইকীয়া, সুৰশে চক্ৰৱৰ্তী, ৰূপম বৰুৱা, মাইনী মহন্ত, মীনাক্ষি বুঢ়াগোহাঁই, চন্দনা পাঠক, লীনা শৰ্মা, ৰবীন মজুমদাৰ আদি।

অৰুণ গোস্বামীৰ গল্পৰ ক্ষয়ষ্ণিু মানসকিতাৰ প্ৰকাশ, অৰূপা পটঙ্গীয়া কলতিাৰ গল্পত 'ইণ্টাৰটক্সেৱলেজিমি' তথা নাৰী মনস্তত্ত্বৰ প্ৰকাশ, দৰেব্ৰত দাসৰ গল্পত ব্যক্তবি বচ্ছিন্নিতাবোধৰ প্ৰকাশ ঘটছিে। শবিানন্দ কাকতি আৰু বপিুল খাটনয়িাৰৰ গল্পত মানুহ কনেদেৰে আৰ্থ-সামাজকি অৱস্থাৰ ক্ৰীড়নক হৈ পৰে তাৰ সাৰ্থক প্ৰকাশ ঘটা দখো যায়। সন্ত্ৰাসজৰ্জৰ অসমৰ চত্বি ফুটি উঠছিে মনোজ কুমাৰ গোস্বামী, অৰূপা পটঙ্গীয়া কলতিা, মনোৰমা দাস, জয়ন্ত কুমাৰ চক্ৰৱৰ্তী আদৰি গল্পত। মৌচুমী কন্দলীৰ গল্পত চতেন-অৱচতেনাৰ ছাঁ-পোহাৰৰ খলে উদ্ভাসতি হছে।ে 'বাস্তৱধৰ্মী মনস্তাত্ত্বকি চত্বিণ' হ'ল এইসময়ৰ গল্পকাৰসকলৰ প্ৰধান লক্ষণ।

এনদেৰে প্ৰায় প্ৰতজিন গল্পকাৰৰ ৰচনাৰ মাজদেি অসমীয়া চুটগিল্পই পূৰ্বৰ পৰম্পৰাগত ধাৰাটোৰ পৰা আঁতৰি আহছিে। ভাববস্তু, বষিয়বস্তু, ৰূপ বন্যিাস আৰু কলা-কৌশলগত দশিত আধুনকি সময়ত বশ্বিৰ বভিন্নি প্ৰান্তত প্ৰচলতি শলৈীয়েও অসমীয়া গল্পকাৰক অনুপ্ৰাণতি কৰছিে। এই সময়ৰ গল্পসমূহৰ প্ৰধান বশিষেত্বসমূহৰ ভতিৰত উল্লখেযোগ্য কইেটমিান হ'ল–

সামাজকি বাস্তৱতাবাদৰ সঠকি প্ৰকাশ।
বভিন্নি ঠাইত সৃষ্টি হোৱা সাহত্যিকি মতবাদসমূহৰ প্ৰয়োগ।
সামাজকি দায়বদ্ধতাৰ সাৰ্থক প্ৰকাশ।
ব্যংগ্যাত্মক ৰচনাৰ ধাৰাটি সবলভাৱে উত্থাপন।
জীৱনক গভীৰ মানৱীয় অনুভূতবিে উপলব্ধি কৰাৰ যত্ন।
বজৈ্ঞানকি যুক্তবিাদৰ প্ৰসাৰ।
বাহ্যকি ঘটনাতকৈ মানসকি ক্ৰয়িা-প্ৰতক্ৰিয়িাৰ প্ৰকাশত অধকি গুৰুত্ব আৰোপ, ইত্যাদি।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ : অসমীয়া গল্প সাহিত্যিৰ আধুনিক যুগ কোনখনি?

.....

.....

প্ৰশ্ন নং ৮ : বিপুল খাটনীয়াৰৰ গল্পত কি ভাবধাৰাৰ প্ৰকাশ ঘটিছে?

.....

.....

2১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আহি প্ৰশ্নআধুনিক সাহিত্যৰ এক উল্লেখযোগ্য আৰু অপৰিহাৰ্য অংগ হ'ল চুটিগল্প। কবিতা, নাটক, উপন্যাস আদিৰ দৰে চুটিগল্পৰ কিছুমান নিজস্ব ধৰ্ম তথা বৈশিষ্ট্য আছে। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাই এক বিশিষ্ট শিল্পকৰ্মৰূপে স্বীকৃতি লাভ কৰি চুটিগল্পই বিংশ শতিকাৰ মধ্য আৰু শেষৰ ফালে পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়।
- চুটিগল্প সম্পৰ্কে বিভিন্ন গল্পকাৰ, আলোচক, সমালোচকে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। তাৰে কেইটামান অধ্যায়টোত উল্লেখ কৰা হৈছে। মন কৰিবলগীয়া যে চুটিগল্প হ'বলৈ হ'লে তাত কেইটিমান নিৰ্দিষ্ট উপাদান থাকিব লাগিব। সেইবোৰ হ'ল–কাহিনী, চৰিত্ৰ, ভাষা, পৰিৱেশ, ঐক্য, কাব্যধৰ্মিতা আৰু গল্পকাৰৰ জীৱন দৰ্শন। সামগ্ৰিকভাৱে চুটিগল্পৰউল্লেখযোগ্য বৈশিষ্ট্যসমূহ অধ্যায়টোত উল্লেখ কৰা হৈছে। চুটিগল্পক কেনেদৰে বিভাজন কৰি শ্ৰেণীভুক্ত কৰিব পাৰি সেই বিষয়েও সম্যক পৰিচয় দাঙি ধৰা হৈছে।
- অসমীয়া চুটিগল্পই ঊনবিংশ শতিকাৰ শেষৰ ফালে জন্ম লাভ কৰে। কলিকতাৰ পৰা প্ৰকাশিত জোনাকী কাকতৰ চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যাত [১৮৯২ চনত] প্ৰকাশ পোৱা 'সেউতী'য়েই হ'ল প্ৰথম অসমীয়া চুটিগল্প। গল্পকাৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া চুটিগল্পৰ ইতিহাসক সময়ানুক্ৰম অনুসৰি চাৰিটা বহল ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। যথা– প্ৰাৰম্ভিক যুগ [১৮৯২ পৰা ১৯২৯ চনলৈ], আৱাহন যুগ [১৯২৯ চনৰ পৰা ১৯৪০ চনলৈ], যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ [১৯৪০ চনৰ পৰা ১৯৭০ চনলৈ], আৰু সাম্প্ৰতিক যুগ [১৯৭০ চনৰ পৰা বৰ্তমানলৈকে]। অধ্যায়টোত সামগ্ৰিকভাৱে এই যুগসমূহত ৰচিত চুটিগল্পসমূহৰ বিশেষত্বৰ লগতে প্ৰধান গল্পকাৰসকলৰ বিষয়ে উল্লেখ কৰি যোৱা হৈছে।

O ১২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

গগৈ, লীলা (সম্পা.) (২০০২) ;আধুনিক অসমীয়া সাহিত্যিৰ পৰিচয়; বনলতা।

গগৈ, হৃদয়ানন্দ (সম্পা.) (১৯৯৯) ; ৰামধনুৰ শ্ৰেষ্ঠ গল্প; জ্যোতি প্ৰকাশন।

গগৈ, হৃদয়ানন্দ (সম্পা.) (১৯৯৯); উত্তৰ ৰামধনু যুগৰ নিৰ্বাচিত গল্প; জ্যোতি প্ৰকাশন।

গগৈ, হৃদয়ানন্দ (সম্পা.) (২০০৭); লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ; জ্যোতি প্ৰকাশন।

গোস্বামী, ত্ৰৈলোক্যনাথ (২০০৬); আধুনিক গল্প সাহিত্য ; বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

দত্ত, উদয় (১৯৯৫); চুটগিল্প; ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৮); সৌৰভ কুমাৰ চলিহা ৰচনাৱলী; কথা।

নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটী: চন্দ্ৰ প্ৰকাশ।

বৰগোহাঞি, হেমেন (সম্পা.) (২০০৪); অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড); অসম প্ৰকাশন পৰিষদ।

বৰা, মহেন্দ্ৰ (১৯৯৭); সাহিত্য আৰু সাহিত্য; ষ্টুডেণ্টচ্ ষ্টৰচ।

বৰা, মহেন্দ্ৰ (১৯৮৫); সাহিত্য উপক্ৰমণিকা; ভাৰতী বুক ষ্টল।

বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); অসমীয়া চুটগিল্পৰ অধ্যয়ন; বনলতা।

ভট্টাচাৰ্য, পৰাগ কুমাৰ (১৯৯৩); গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য; চন্দ্ৰ প্ৰকাশ।

শইকীয়া বৰা, লীলাৱতী (সম্পা.) (২০০৩); অসমীয়া চুটগিল্পৰ প্ৰবাহ; গুৱাহাটী বিশ্ববিদ্যালয়।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; গুৱাহাটী : সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ

Hudson, W. H. (1983). An Introduction to the Study of Literature. New Delhi : Kalyani Publisers.

K ১২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰা।

২ নং প্ৰশ্নৰ উত্তৰ : কম শব্দৰে অধিক অৰ্থ প্ৰকাশক।

৩ নং প্ৰশ্নৰ উত্তৰ : পঞ্চমী।

৪ নং প্ৰশ্নৰ উত্তৰ : লক্ষ্মীধৰ শৰ্মা।

৫ নং প্ৰশ্নৰ উত্তৰ : নগৰ কেন্দ্ৰিক জীৱনৰ নিঃসংগতা,বিচ্ছিন্নতা,অন্তঃসাৰশূন্যতাৰ বুদ্ধিদীপ্ত প্ৰকাশ

৬ নং প্ৰশ্নৰ উত্তৰ : নগনে শইকীয়া।

৭ নং প্ৰশ্নৰ উত্তৰ : ১৯৭০ চনৰ পৰা বৰ্তমানলৈকে।

৮ নং প্ৰশ্নৰ উত্তৰ : মানুহ কেনেদেৰে আৰ্থ-সামাজিক অৱস্থাৰ ক্ৰীড়নক হৈ পৰে তাৰ সাৰ্থক প্ৰকাশ ঘটিছে।

M আৱ্হি প্ৰশ্ন

ক] বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক–

[ক] চুটগিল্প মানে কি?

[খ] চুটগিল্পৰ দুটা উপাদানৰ নাম লিখক।

প্ৰশ্ন ২ : শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক–

ক] চুটগিল্পত চৰিত্ৰৰ প্ৰকাশহে ঘটে বিকাশ নঘটে।

খ] অসমীয়া চুটগিল্পৰ ইতিহাসৰ তৃতীয় স্তৰটোৱেই হ'ল আৱাহন যুগ।

খ] চুটি প্ৰশ্ন [১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক]

প্ৰশ্ন ১ : অসমীয়া চুটগিল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ : চমুটোকা লিখক –

[ক] উদ্ভৱকালীন অসমীয়া চুটগিল্পকাৰ

[খ] আৱাহন যুগৰ অসমীয়া গল্পৰ বৈশিষ্ট্য

[গ] যুদ্ধোত্তৰ যুগৰ অসমীয়া গল্পৰ বৈশিষ্ট্য

[ঘ] সাম্প্ৰতিক কালৰ অসমীয়া গল্পৰ বৈশিষ্ট্য

গ] ৰচনাধৰ্মী প্ৰশ্ন [৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক]

প্ৰশ্ন ১ : অসমীয়া চুটগিল্পৰ যুগ বিভাজন কৰি প্ৰতিযকে যুগৰে গল্পকাৰ কইেজনমানৰ গল্পৰ বৈশিষ্ট্যযযসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ : উদ্ভৱকালীন অসমীয়া চুটগিল্পৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ : অসমীয়া চুটগিল্পৰ দ্বিতীয় স্তৰটোৰ নামকৰণৰ কিয় 'আৱাহন যুগ' বুলি কিবা হ'ল সেই বিষয়ে লিখি এই যুগৰ গল্পৰ প্ৰধান বৈশিষ্ট্যযযসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ : অসমীয়া চুটগিল্পৰ 'ৰামধেনু যুগ'ৰ বিষয়ে এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ : সাম্প্ৰতিক যুগৰ অসমীয়া চুটগিল্পৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।